আইনী সাক্ষৰতা শৃংখলা-৩

# ৰমাৰ পাঠশালা

## শিক্ষাৰ অধিকাৰ অধিনিয়ম ২০০৯




ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

# ASSAM STATE LEGAL SERVICES AUTHORITY

1ST FLOOR, GAUHATI HIGH COURT, OLD BLOCK
GUWAHATI - 781001, ASSAM
PHONE : 0361 - 2516367, FAX : 0361 - 2601843

## অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰী

গুৱাহাটী - ৭৮১০০১

No. ASLSA-38/2014/21 Dated: Guwahati the 18 th April '2016

To
The Director,
State Resource Centre - Assam,
1- CD, Mandovi Apartments,
GNB Road, Ambari, Guwahati-781001
(Assam)

**<u>Sub:</u>** VETTING OF IEC MATERIALS ON LEGAL LITERACY COMPONENTS - ASSAMESE.

Ref.: Your letter no. SRC/170/97/654-56 dated 21.03.2016.

Dear Sir,

In inviting a reference to the subject as cited above, undersigned has the honor to state that the vetting of the IEC materials ( in Assamese) have been completed and are being returned herewith after minor modifications in sentence/word structuring on the legal literacy components and the modified word/sentence is highlighted in erasable pencil markings.

Vetting of the rest of the IEC material (in Nepali & Bengali) is also being arranged and will be returned as soon as these are completed.

With best regards

Yours faithfully

Mridul K Saikia
18/4/2016

(Mridul Kr. Saikia)
Member Secretary i/c
Assam State Legal Services Authority

22/4/16

Encl:
As stated above.

# ৰমাৰ পাঠশালা

## শিক্ষাৰ অধিকাৰ অধিনিয়ম ২০০৯

### আইনী সাক্ষৰতা শৃংখলা- ৩


সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

सत्यमेव जयते

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

**Ramar Pathsala :** This book is based on legal awareness for the neoliterates on Right to Education Act 2009. This book is prepared by National Literacy Mission Authority, Govt. of India, New Delhi. This book is translated and published by State Resource Centre Assam, 1-CD, Mandovi Apartments, GNB Road, Ambari, Guwahati-781001 (Assam)

March 2016 (1000)

| | | |
|---|---|---|
| মূল পুথি | : | ৰমা কী পাঠশালা |
| পুথি প্ৰস্তুতি কৰ্মশালাত অংশগ্ৰহণকাৰী সকল | : | নিশাৰাণী ডেকা, মীনাক্ষী বেজবৰুৱা, ৰুবী ভাগৱতী শৰ্মা, ফনু শৰ্মা, মুনীন কাকতি, কুইন বৰা, তৃষ্ণা শৰ্মা, নিৰ্মালী অধিকাৰী , দীপাংকৰ দাস, সুস্নাতা গোস্বামী |
| ভাৰত চৰকাৰৰ ন্যায় বিভাগ, বিধি আৰু ন্যায় মন্ত্ৰালয়ৰ তৰফৰ পৰা কৰ্মশালাত উপস্থিত থকা বিষয়াসকল | : | ৰাজেশ দেউলী, আঁচনি প্ৰবন্ধক, অনশুল চাক্সেনা, আঁচনি বিষয়া, গোবিন্দ বৈশ্য, ৰাজ্যিক সমন্বয়ক, অসম |
| প্ৰথম প্ৰকাশ | : | মাৰ্চ ২০১৬ (১০০০) |
| প্ৰকাশক | : | ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম<br>১-চি ডি, মাণ্ডৱী এপাৰ্টমেণ্টছ, জি এন বি ৰোড<br>আমবাৰী, গুৱাহাটী-৭৮১ ০০১ |
| সম্পাদনা | : | অনুৰাধা বৰুৱা, প্ৰসন্ন কুমাৰ কলিতা |
| মুদ্ৰক | : | শৰাইঘাট অফছেট প্ৰাইভেট লিমিটেড<br>বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১ |

# কৃতজ্ঞতা

সাক্ষৰ ভাৰত কাৰ্য্যসূচী ২০০৯ চনৰ ছেপ্টেম্বৰ মাহত আৰম্ভ কৰা হৈছিল। এই কাৰ্য্যক্ৰমত দেশৰ কমসংখ্যক সাক্ষৰ মহিলা থকা ৪১০ খন জিলা সামৰি লোৱা হৈছে। বিশেষকৈ গ্ৰামাঞ্চলৰ মহিলা, অনুসূচিত জাতি, জনজাতি আৰু সংখ্যালঘু সম্প্ৰদায়ক সাক্ষৰ ভাৰত কাৰ্য্যসূচীত লক্ষ্য কৰি লোৱা হৈছে। এই কাৰ্য্যসূচীত বুনিয়াদী সাক্ষৰতাৰ সমানে সমানে বুদ্ধি আৰু দক্ষতাৰ বিকাশ আৰু সমমান শিক্ষাকো সামৰি লোৱা হৈছে।

সাক্ষৰতাক শিক্ষাৰ্থীসকলৰ জীৱনৰ লগত জড়িত কৰি অধিক ৰুচিপূৰ্ণ কৰিবৰ বাবে ইণ্টাৰ পাৰ্চনেল মিডিয়া কেম্পেইন আৰম্ভ কৰা হৈছে। এই কেম্পেইনত আইনী সাক্ষৰতাক বিশেষ গুৰুত্ব দিয়া হৈছে।

আইনী সাক্ষৰতাৰ বিষয়ে সকলোৱে জানিবৰ বাবে আইনী সাক্ষৰতা শৃংখলাৰ নিৰ্মাণ কৰা হৈছে। ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ অধীনত ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ আৰু বিধি আৰু ন্যায় মন্ত্ৰালয় (ন্যায় বিভাগ)ৰ অধীনত গুৱাহাটীত আয়োজিত কৰ্মশালাত অসম (অসমীয়া ভাষা), ত্ৰিপুৰা (বাংলা ভাষা) আৰু ছিকিম (নেপালী ভাষা)ৰ বিশেষজ্ঞ, লিখক তথা ৰাজ্যিক আইনী সেৱা প্ৰাধিকৰণৰ সহযোগিতাত আইনী সাক্ষৰতাৰ সামগ্ৰীসমূহৰ প্ৰস্তুত কৰা হৈছে।

আইনী সাক্ষৰতা সামগ্ৰীৰ নিৰ্মাণত ন্যায় বিভাগ, ন্যায় মন্ত্ৰালয়, ভাৰত চৰকাৰ আৰু এক্সেচ টু জাষ্টিছ (নৰ্থ ইষ্ট এণ্ড জম্মু কাশ্মীৰ A 2 J NE & JK)ৰ প্ৰকল্পৰ সঞ্চালকে কাৰিকৰী সহযোগিতা প্ৰদান কৰিছে আৰু ইয়াত ভাৰত চৰকাৰৰ ন্যায় বিভাগে অনুমোদন জনাইছে। ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণে সকলো সহযোগী সংস্থা, বিভাগৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। এই সামগ্ৰীসমূহে জনসাধাৰণৰ মাজত আইনী সজাগতা আনিব বুলি আশা প্ৰকাশ কৰা হৈছে।

ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়
নতুন দিল্লী

# আমাৰ দুআষাৰ

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমে এই লানি পুস্তিকাৰ অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশৰ ব্যৱস্থা কৰিছে। গুৱাহাটীত অনুষ্ঠিত লিখনি প্ৰস্তুতি কৰ্মশালাত এইলানি পুথিৰ অসমীয়ালৈ অনুবাদ কৰা হৈছে। অনুদিত পুথিখিনি অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ দ্বাৰা অনুমোদিত। এই সুযোগতে কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ব্যক্তিলৈ ধন্যবাদ জ্ঞাপন কৰা হ'ল। আশাকৰোঁ কিতাপখন পঢ়ুৱৈয়ে আদৰি ল'ব।

**সমীৰণ ব্ৰহ্ম**
সঞ্চালক
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম

মাৰ্চ ২০১৬

# ৰমাৰ পাঠশালা

চহৰখনত ডাঙৰ-ডাঙৰ অট্টালিকা নিৰ্মাণৰ কাম আৰম্ভ হৈছিল। ৰমাৰ মাক-দেউতাকে অট্টালিকা নিৰ্মাণৰ কাম কৰিবলৈ চহৰলৈ আহিল, লগতে ৰমাও নিজৰ গাঁও আৰু বিদ্যালয় এৰি চহৰলৈ গুচি আহিল। ৰমাই অলপ পঢ়াশুনা কৰিব পাৰিছিল। সৰু সৰু সাধুকথাও পঢ়িবলৈ চেষ্টা কৰিছিল। ৰমাৰ লগতে গাঁৱৰ আৰু বহুতো ল'ৰা ছোৱালী চহৰলৈ আহিল। ডাঙৰ সকলে ঘৰ সজা কামত লাগিল আৰু সৰুবোৰে হাই-উৰুমি কৰি দিনটো কটালে। অলপদিন বৰ ভাল লাগিল।

১০-১৫ দিনমান পাছত ৰমাৰ আমনি লাগিল, তাই মাকক সুধিলে — "মা মই কেতিয়া স্কুললৈ যাম ?" মাকে ক'লে — যেতিয়া ঘৰ নিৰ্মাণৰ কাম শেষ হ'ব আমি গাঁৱলৈ উভটি যাম, তেতিয়া তুমি আকৌ স্কুললৈ যাবা।

এদিন ল'ৰা-ছোৱালীহঁতে খেলি থাকোতে এগৰাকী বাইদেউ তালৈ আহিল। তেওঁ ৰমাহঁতক স্কুললৈ কিয় নাযায় সুধিলে। ল'ৰা-ছোৱালীহঁতে তেতিয়া তেওঁক ক'লে যে ইয়াত তেওঁলোকৰ ঘৰহে আছে, দূৰৰ গাঁৱত হে স্কুল



আছে। তেতিয়া বাইদেউ গৰাকীয়ে তেওঁক তেওঁলোকৰ ঘৰলৈ লৈ যাবলৈ ক'লে। ল'ৰা-ছোৱালীহঁতে বাইদেউ গৰাকীক তেওঁলোকৰ ঘৰলৈ লৈ গ'ল। বাইদেউৰে মাক-দেউতাকৰ লগত পৰিচয় হৈ, সকলোকে ওচৰৰ স্কুললৈ পঠিয়াবলৈ অনুৰোধ কৰিলে।

বাইদেউ গৰাকী ওচৰৰ বিদ্যালয় এখনৰ শিক্ষয়িত্ৰী আছিল। তেওঁ সকলোকে বুজাই দিলে যে ছয় বছৰৰ পৰা চৈধ্য বছৰলৈ শিশুসকলক পঢ়োৱাৰ দায়িত্ব চৰকাৰৰ। ইয়াৰ বাবে

চৰকাৰে “শিক্ষা অধিকাৰ আইন” উলিয়াইছে। আপোনালোকে শিশুসকলক ওচৰৰ বিদ্যালয়তে নামভৰ্তি কৰাব পাৰিব। বিদ্যালয়ত নামভৰ্তিৰ বাবে কোনো মাচুল বা নথিপত্ৰৰ দৰকাৰ নাই। আপোনালোক কাইলৈকেই বিদ্যালয়লৈ আহিব।

এই কথা শুনি ৰমাই বৰ ভাল পালে, আনন্দ মনেৰে স্কুললৈ যাবলৈ সাজু হ'ল। লগৰ বাকীবোৰকো বিদ্যালয়লৈ যাবলৈ সাজু হ'বলৈ ক'লে।



# বিনামূলীয়া আৰু বাধ্যতামূলক
# শিশু শিক্ষা অধিকাৰ অধিনিয়ম ২০০৭

ভাৰত চৰকাৰে ২০০৭ চনত বিনামূলীয়া আৰু বাধ্যতামূলক শিশু শিক্ষাৰ অধিকাৰ আইন গ্ৰহণ কৰি ইয়াৰ কাৰ্য্যকাৰিতাৰ হকে কাম কৰিবলৈ লয়। এই আইনমতে ৬-১৪ বছৰ বয়সৰ সকলো শিশুৰে বিনামূলীয়া প্ৰাথমিক শিক্ষাৰ অধিকাৰ থাকিব। ছয়ৰ পৰা চৈধ্য বছৰ বয়সৰ সকলো শিশুৰ বাবে এই আইন প্ৰযোজ্য।



প্ৰাথমিক শিক্ষাৰ অৰ্থ — প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে প্ৰাথমিক শিক্ষা বুলি ধৰা হয়। ছয় পৰা চৈধ্য বছৰ বয়সৰ সকলো শিশুৰে ওচৰৰ বিদ্যালয়লৈ যোৱাৰ অধিকাৰ থাকিব। নতুন নিয়ম অনুসৰি ব্যক্তিগত স্কুলৰো কিছু আসন সংৰক্ষিত থাকিব। এই আসনসমূহত অনুসূচিত জাতি, জনজাতি আৰু পিছপৰা শ্ৰেণীৰ বা আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ ল'ৰা-ছোৱালীক ভৰ্তি কৰাব লাগিব।

প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ বিনামূলীয়াকৈ পঢ়াব লাগিব। ফলি, কিতাপ আৰু স্কুলৰ পোছাকো বিনামূলীয়াকৈ পাব।

**এই আইনৰ দ্বাৰা কেনেধৰণৰ শিশু লাভবান হ'ব?**

- এই আইন ছয় বছৰৰ পৰা চৈধ্য বছৰ বয়সৰ সকলো শিশুৰ ক্ষেত্ৰতে প্ৰযোজ্য। অনুসূচিত জাতি / জনজাতি, সামাজিভাৱে পিছপৰা আৰু বিশেষভাৱে সক্ষম শিশুসকলক বিশেষভাৱে সামৰি লোৱা হৈছে।
- ছয় বছৰ বয়সতকৈ ডাঙৰ ল'ৰা-ছোৱালী যদি স্কুললৈ আহে, তেওঁক বয়স অনুসৰি শ্ৰেণীত ভৰ্তি কৰোৱা হয়। প্ৰথম শ্ৰেণীৰ পঢ়াও, তেওঁক সেই শ্ৰেণীতে পঢ়োৱা হয়।

- যি সকল শিশুৱে ছয় বছৰতকৈ বেছি বয়সত পঢ়া আৰম্ভ কৰে, তেওঁলোকক চৈধ্য বছৰৰ পাছতো প্ৰাথমিক শিক্ষা পূৰা কৰাৰ সুবিধা দিয়া হয়।

**স্থান সলনি কৰিলেও বিদ্যালয়ত নামভৰ্তিৰ সুবিধা :**

যদি কোনো কাৰণবশতঃ এজন শিশু অইন এখন ঠাইলৈ যাব লগা হয়, তেন্তে সেই ঠাইত থকা চৰকাৰী বিদ্যালয়ত তেওঁ নামভৰ্তিৰ সুবিধা পাব। কোনো নথিপত্ৰ নাথাকিলেও নামভৰ্তিৰ সুবিধা পাব।

**স্কুলৰ ব্যৱস্থা**

- শিক্ষা অধিকাৰ আইনৰ অধীনত চৰকাৰী স্কুল স্থাপন কৰা চৰকাৰৰ দায়িত্ব
- প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীৰ শিশুসকলৰ বাবে এক কিলোমিটাৰ দূৰত্বত বিদ্যালয় স্থাপন কৰিব লাগিব।
- ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ শিশুসকলৰ বাবে তিনি কিলোমিটাৰ দূৰত্বত বিদ্যালয় স্থাপন কৰিব লাগিব।
- স্কুলত দুখীয়া আৰু বঞ্চিত সম্প্ৰদায়ৰ শিশুসকলক ভেদভাৱ বা দুৰ্ব্যৱহাৰ কৰিব নোৱাৰিব।

**স্থানীয় চৰকাৰৰ দায়িত্ব ঃ**

- ছয়ৰ পৰা চৈধ্য বছৰ বয়সৰ সকলো শিশুকে বিনামূলীয়া প্ৰাথমিক শিক্ষা।
- ওচৰতে বিদ্যালয় স্থাপন কৰা। দৰকাৰ হ'লে বিশেষভাৱে সক্ষম শিশুৰ বাবে বাহনৰ যোগান ধৰা।
- পিছপৰা শ্ৰেণীৰ শিশুসকলক বিশেষভাৱে লক্ষ্য কৰিব লাগে। শ্ৰেণীকোঠা, খোৱাপানী, ভোজন তথা খেল পথাৰত তেওঁলোকৰ লগত কোনো ভেদভাৱৰ সৃষ্টি হ'ব নালাগে। তেওঁলোকৰ দ্বাৰা যাতে শ্ৰেণীকোঠা বা শৌচালয় পৰিষ্কাৰ কৰোৱা নহয়।
- ছয় বছৰৰ পৰা চৈধ্য বছৰ বয়সৰ সকলো শিশুৱেই যাতে স্কুললৈ যায় তাৰ হিচাব চৰকাৰে ৰাখিব লাগে।
- শিশুসকলে বিদ্যালয়লৈ নিয়মীয়াকৈ আহিছে নে নাই আৰু শিক্ষা সম্পূৰ্ণ কৰিছে নে নাই তাৰ হিচাব ৰাখিব লাগে।
- বিদ্যালয় সমূহলৈ শিক্ষক, বিদ্যালয় ভৱন আৰু শিক্ষাৰ সামগ্ৰীসমূহৰ যোগান ধৰিব লাগে।
- শিক্ষকসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।




- বাহিৰৰ পৰা অহা পৰিয়ালৰ শিশুসকলৰো নামভৰ্তি কৰোৱা।
- শিশুসকলৰ সুৰক্ষা আৰু অভিযোগসমূহৰ সমাধান কৰা।
- পিছপৰা শ্ৰেণীৰ শিশুসকলক সমান অধিকাৰ প্ৰদান কৰা।

**পিতৃ-মাতৃ আৰু অভিভাৱক সকলৰ দায়িত্ব :**

সকলো শিশুকে ওচৰৰ বিদ্যালয়ত নামভৰ্তি কৰাই দিয়াটো পিতৃ-মাতৃ আৰু পালনকৰ্তা সকলৰ দায়িত্ব।

## বিদ্যালয় পৰিচালনা সমিতি :

বিদ্যালয়ৰ ব্যৱস্থাসমূহ ভালদৰে পৰিচালনা কৰিবলৈ এখন বিদ্যালয় পৰিচালনা সমিতি গঠন কৰা হয়। ব্যক্তিগত বিদ্যালয়ত এনে সমিতি গঠিত নহয়। এই সমিতিসমূহত সদস্যসকলৰ ৪ ভাগৰ ৩ ভাগেই পিতৃ-মাতৃ বা অভিভাৱক। এই সমিতিসমূহত ৫০ শতাংশ মহিলা থাকিব। পিতৃ-মাতৃ বা অভিভাৱকৰ মাজৰ পৰাই এজনক সমিতিৰ মুখ্য দায়িত্ব দিয়া হয়।

## বিদ্যালয় পৰিচালনা সমিতিৰ দায়িত্ব —

- বিদ্যালয়ৰ কাম-কাজত নজৰ ৰাখা।
- বিদ্যালয়ৰ বিকাশৰ বাবে আঁচনি প্ৰস্তুত কৰা।
- বিদ্যালয় পৰিচালনাৰ বাবে লোৱা ধনৰাশিৰ উপযুক্ত ব্যৱহাৰৰ লক্ষ্য ৰাখা।
- বিদ্যালয়ৰ কাম-কাজত সহযোগ কৰা।

## বিদ্যালয় বিকাশৰ আঁচনি —

আৱশ্যক অনুযায়ী বিদ্যালয়ৰ বিকাশৰ বাবে পৰিচালনা সমিতিয়ে আঁচনি তৈয়াৰ কৰিব। বিদ্যালয়ৰ প্ৰয়োজন

অনুসৰি চৰকাৰৰ পৰা ধন বিচাৰিব, যাতে পাঠ্যপুথি আৰু স্কুলৰ পোছাক বিনামূলীয়াকৈ বিতৰণ কৰিব পাৰে। শিক্ষকসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ লগতে সমিতিয়ে সময়ে সময়ে চৰকাৰক বিদ্যালয়ৰ বিকাশৰ বাবে প্ৰস্তাব দিব। অভিযোগ থাকিলে তাক নিবাৰণ কৰাৰ চেষ্টা কৰিব।

- যদি কোনো বিদ্যালয়ে নামভৰ্তিৰ বাবদ শিশুৰপৰা মাচুল লয়, তেন্তে সেয়া দণ্ডণীয় অপৰাধ হ'ব।
- নামভৰ্তিৰ সময়ত কোনো শিশু বা অভিভাৱকৰ কোনো পৰীক্ষা লোৱা নহয়। এনে কৰিলে ২৫,০০০ টকালৈ জৰিমনা হ'ব পাৰে।



- শিশুৰ বয়সৰ প্ৰমাণ-পত্ৰ নাথাকিলেও বিদ্যালয়ত নামভৰ্তি কৰিব পাৰিব।
- কোনো শিশু বছৰৰ আৰম্ভণিৰ পাছত যিকোনো সময়ত নামভৰ্তি কৰিবলৈ আহিলেও তেওঁক সুবিধা দিব লাগিব, মানা কৰিব নোৱাৰিব।
- কোনো শ্ৰেণীতে শিশুসকলক অনুত্তীৰ্ণ কৰিব নোৱাৰিব। প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নকৰালৈকে বিদ্যালয়ৰ পৰা উলিয়াই দিব নোৱাৰিব।
- কোনো শিশুকে মানসিক আৰু শাৰীৰিকভাৱে প্ৰতাৰিত কৰিব নোৱাৰিব।

**অংকুৰ শ্ৰেণীৰ ব্যৱস্থা —**

- তিনিৰ পৰা ছয় বছৰ বয়সৰ শিশুৰ প্ৰাথমিক শিক্ষাৰ পূৰ্বে অংকুৰ শ্ৰেণীৰ ব্যৱস্থা কৰাটো স্থানীয় চৰকাৰৰ দায়িত্ব।

**শিক্ষকৰ কৰ্তব্য —**

- বিদ্যালয়ৰ নিয়ম পালন কৰা যেনে - সময়মতে বিদ্যালয় খোলা আৰু সদায় উপস্থিত থকা।

- নিৰ্ধাৰিত সময়ত পাঠ্যক্ৰম পূৰা কৰা।
- প্ৰত্যেক শিশুৰে শিকাৰ ক্ষমতাৰ বুজ লোৱা। প্ৰয়োজন অনুসৰি পাঠদান কৰা।
- পিতৃ-মাতৃ বা অভিভাৱকৰ লগত যোগাযোগ কৰা। তেওঁলোকক শিশুৰ প্ৰগতিৰ বিষয়ে অৱগত কৰোৱা।
- শিক্ষকে ঘৰুৱা টিউচন ল'ব নোৱাৰিব।

**"শিক্ষা অধিকাৰ আইন"ৰ অন্তৰ্গত বিদ্যালয়সমূহত লোৱা সুবিধাসমূহ :**

**১। বিদ্যালয়ত শিক্ষকৰ সংখ্যা :**

প্ৰথমৰ পৰা পঞ্চম শ্ৰেণীলৈ

| শিশুৰ সংখ্যা | শিক্ষকৰ সংখ্যা |
|---|---|
| ৬০ | ২ |
| ৬১-৯০ | ৩ |
| ৯১-১২০ | ৪ |
| ১২১-২০০ | ৫ |
| ১৫০ তকৈ বেছি | ৫ আৰু হেড্ মাষ্টৰ। |
| ২০০ তকৈ বেছি | ছাত্ৰ শিক্ষকৰ অনুপাত ৪০ ৰ তকৈ বেছি নহ'ব (হেড্ মাষ্টৰক বাদ দি) |

**ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীলৈ :**

- প্ৰত্যেক শ্ৰেণীতে অতি কমেও এজন শিক্ষক। বিষয় শিক্ষক এনেদৰে হ'ব —

  ১। বিজ্ঞান আৰু গণিত।

  ২। সমাজ অধ্যয়ন

  ৩। ভাষা

- প্ৰত্যেক ৩৫ ছাত্ৰৰ অনুপাতে এজন শিক্ষক হ'ব।
- যদি শিক্ষাৰ্থীৰ সংখ্যা ১০০তকৈ অধিক হয় তেন্তে
  - এজন স্থায়ী হেড মাষ্টৰ
  - অস্থায়ী শিক্ষক
  - কলা শিক্ষক
  - স্বাস্থ্য আৰু ব্যায়াম শিক্ষক
  - ব্যৱহাৰিক শিক্ষাৰ শিক্ষক।

২। বিদ্যালয়ৰ ভৱনসমূহত প্ৰত্যেক শিক্ষকৰ বাবে এটাকৈ শ্ৰেণীকোঠা আৰু কাৰ্য্যালয়ৰ বাবে এটা কোঠা থকাটো দৰকাৰ।

- ল'ৰা আৰু ছোৱালীৰ বাবে বেলেগে বেলেগে শৌচালয় থাকিব।

- খেল পথাৰ থাকিব।
- সকলো শিশুৰ বাবে খোৱা পানীৰ সুবন্দবস্ত থাকিব লাগে।
- দুপৰীয়াৰ বিনামূলীয়া ভোজনৰ বাবে পাকঘৰৰ ব্যৱস্থা।
- বিদ্যালয় তথা শিশুৰ সুৰক্ষাৰ বাবে চাৰিওফালে দেৱালৰ ব্যৱস্থা।



৩। বিদ্যালয়সমূহৰ খোলাৰ দিন আৰু পঢ়োৱাৰ সময় নিৰ্ধাৰণ কৰা হয়

- প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ ২০০ দিন বা ৮০০ ঘণ্টা।

- ষষ্ঠ শ্ৰেণীৰপৰা অষ্টম শ্ৰেণীলৈ ২২০ দিন বা ১০০০ ঘণ্টা।

৪। প্ৰত্যেক শ্ৰেণীতে পঢ়াবলৈ আৰু পঢ়িবলৈ বিনামূলীয়াকৈ বহী-কিতাপ দিয়া হ'ব।

৫। প্ৰত্যেক শ্ৰেণীতে খেলাৰ সামগ্ৰী দিয়া হ'ব।

- বিদ্যালয়ত শিক্ষকসকলে যাতে অধিক সময় পঢ়াশুনাৰ কামতে নিজকে নিয়োগ কৰিব পাৰে, তাৰবাবে তেওঁলোকক অইন কামৰ পৰা বিৰত ৰখা হয়।

**পাঠ্যক্ৰম আৰু মূল্যাংকন**

- শিশুসকলৰ শাৰীৰিক আৰু মানসিক বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰি পাঠ্যক্ৰম যুগুত কৰা হয়।
- শিশুৱে নিজৰ মাতৃভাষাতে পঢ়া-লিখা কৰিব পাৰিব।
- শিশুসকলৰ ভাবধাৰা আৰু চিন্তাশক্তিৰ বিকাশত গুৰুত্ব আৰোপ।
- অষ্টম শ্ৰেণীলৈকে কোনো বোৰ্ডৰ পৰীক্ষা অনুষ্ঠিত কৰা নহয়।
- প্ৰত্যেক শিশুকে প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰাৰ প্ৰমাণ দিয়া হয়।

## অভিযোগ কাৰ ওচৰত / ক'ত কৰিব পাৰিব ?

"ৰাজ্য শিশু অধিকাৰ সংৰক্ষণ আয়োগ" এ শিশুৰ শিক্ষাৰ অধিকাৰ সম্বন্ধীয় অভিযোগসমূহৰ পৰীক্ষা কৰিব।

যি কোনো ব্যক্তিয়ে শিশুৰ অধিকাৰ সম্বন্ধীয় অভিযোগ স্থানীয় অধিকাৰীক দাখিল কৰিব লাগিব। স্থানীয় অধিকাৰীয়ে অভিযোগ পৰীক্ষা কৰি অতি সোনকালেই তাৰ মীমাংসা কৰি দিব।

যদি কোনো ব্যক্তি স্থানীয় অধিকাৰীৰ মীমাংসাত সন্তুষ্ট নহয়, তেন্তে "ৰাজ্য শিশু অধিকাৰ সংৰক্ষণ আয়োগ"ত আপীল কৰিব পাৰিব।



যদি কোনো বিদ্যালয়ে অধিনিয়মৰ কোনো ধাৰাৰ উলংঘন কৰে, তেন্তে সেই বিদ্যালয়ৰ বৈধতা নোহোৱা হ'ব।

# আইনী সাক্ষৰতাৰ সজাগতাৰ বাবে প্ৰকাশিত পুথিসমূহ-

১) চকু মুকলি হ'ল (ভাৰতৰ নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্য)
২) এতিয়া আৰু চিন্তা নাই (গৰ্ভধাৰণ আৰু প্ৰসৱপূৰ্ব লিংগ নিৰ্ধাৰণ অধিনিয়ম ১৯৯৪ আৰু ২০০৩ (সংশোধিত)
৩) ৰমাৰ পাঠশালা (শিক্ষাৰ অধিকাৰ অধিনিয়ম ২০০৯)
৪) শালীনতাৰ মৰ্যাদা (আইনী সাক্ষৰতা শৃংখলা-৪)
৫) যৌতুক: পৰম্পৰা নহয় অভিশাপহে (যৌতুক প্ৰতিৰোধ অধিনিয়ম ১৯৬১)
৬) আশাৰ ৰেঙণি (ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা অধিনিয়ম ২০০৫)
৭) এতিয়া কোনো অনাহাৰে থাকিব নালাগে (খাদ্য সুৰক্ষা অধিনিয়ম ২০১৩)
৮) মণিকাৰ মুখত হাঁহি বিৰিঙিল (তথ্য জনাৰ অধিকাৰ আইন ২০০৫)
৯) ৰমেশে উচিত বিচাৰ পালে (বিনামূলীয়া আইন সাহায্য)
১০) নাজমাই পালে সুবিচাৰ (অনৈতিক মানৱ সৰবৰাহ আইন ১৯৫৬)
১১) ভাৰত চৰকাৰৰ মুখ্য আঁচনিসমূহ

Saakshar Bharat

**STATE RESOURCE CENTRE ASSAM**
1-CD, Mandovi Apartments, GNB Road
Ambari, Guwahati-781001
E-mail-srcassam@hotmail.com
Website : www.srcguwahati.in